# ইউরোপের মনীষা

শ্রীপ্রফুল্লদত্ত গোস্বামী

# ইউৰোপৰ মনীষা

Jawaharlal Nehru College Library
No UGe-294
Date 1892
25/1/77
Boko, Kamrup.

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

JAWAHARLAL NEHRU COLLEGE LIBRARY
BOKO
NOT TO BE ISSUED

820.92
GOS

লয়াৰ্চ বুক ষ্টল
গুৱাহাটী • অসম

Europar Manisha, biographical and critical studies in Machiavelli, Shakespeare, Rousseau, Goethe, Dostoevsky and Bertrand Russell by Dr. Praphulladatta Goswami, 1965, Gauhati.

প্রকাশক :
শ্রীবিচিত্রনাবায়ণ দত্ত বৰুৱা, বি-এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী, অসম।

মূল্য—৪'০০

লিখকৰ দ্বাৰা সকলো স্বত্ব সংৰক্ষিত


১৯৬৫

মুদ্রক :
শ্রীকালীচৰণ পাল
নবজীৱন প্রেছ
৬৬ গ্রে ষ্ট্রীট, কলিকতা-৬

ইংৰাজী সাহিত্যৰ অনুপম শিক্ষক
প্ৰফেচৰ পি. চি. ৰয়ৰ কৰকমলত
—তেখেতৰ পৰা পোৱা মৰম আৰু উৎসাহ স্মৰণ কৰি

# সূচী


| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| রাজনীতিজ্ঞ মেকিয়াভেলি | ... | ... | ১ |
| নাট্যকার উইলিয়াম শেক্‌ছপিয়ার | ... | ... | ২৩ |
| বিপ্লবী ঝাঁ ঝাক রুছো | ... | ... | ৫৯ |
| কবি য়হান ভলফ্‌গাং গ্যেটে | ... | ... | ৭৯ |
| ঔপন্যাসিক ডছ্‌টয়এফ্‌স্কি | ... | ... | ১০৮ |
| দার্শনিক বার্‌ট্রাণ্ড রাছেল | ... | ... | ১৩৬ |
| চমু গ্রন্থসূচী | ... | ... | ১৬৮ |



মেকিয়াভেলি

Jawaharlal Nehru College Library
No ...
Date ...
Boko, Kamrup.

# ৰাজনীতিজ্ঞ মেকিয়াভেলি

## (১)

কৌটিল্যৰ অৰ্থশাস্ত্ৰ আৰু মহাভাৰতৰ শান্তিপৰ্ব্ব আদি পুথি ভাৰতীয় শাসন-নীতিজ্ঞানৰ অপূৰ্ব্ব সংহিতা। পুৰণি ভাৰতৰ চিন্তাৰ ক্ষেত্ৰত অৰ্থশাস্ত্ৰৰ যি বিশেষ প্ৰভাব তাৰ বুৰঞ্জীও দীঘলীয়া। পিছৰ যুগত চিন্তাশীল লোকে এই সংহিতাৰ সাঁচত আন আন পুথি ৰচনা কৰিছিল। নৱম শতিকাৰ সোমদেৱ সুৰিয়ে তেওঁৰ নীতি-বাক্যামৃতত সেৱা জনাইছে ৰজাক নহয়—ৰাজ্যক—অথ ধৰ্মাৰ্থ-কামফলায় ৰাজ্যায় নমঃ। ৰাজনীতিশাস্ত্ৰৰ মূলমন্ত্ৰ সাধাৰণতে এই "ৰাজ্যায় নমঃ"-এই হয়, অৰ্থাৎ সাধাৰণ নীতি ৰাজনীতিৰ পৰা বাদ পৰে আৰু ৰাজ্যৰ নিৰাপত্তা আৰু শক্তিৰ উদ্দেশ্যে কৰা কাৰ্য্যা-ৱলীত ব্যক্তিৰ নীতিয়ে ঠাই নাপায়। অৰ্থশাস্ত্ৰ কিছু পৰিমাণে নীতিবৰ্জ্জিত হোৱা কাৰণে পিছৰ যুগত কৌটিল্য বা চাণক্যই অযথা কুখ্যাতি লাভ কৰে, অৰ্থাৎ চাণক্য বা কৌটিল্য নাম কুটিলতা আৰু স্বাৰ্থপৰতাৰ প্ৰতীকহিচাবে ব্যৱহাৰ হবলৈ ধৰে। ইউৰোপতো প্ৰতিভাশালী ৰাজনীতিবিদ পণ্ডিত এজনে পিছত 'চয়তান' আখ্যা পাইছিল।

এই ইউৰোপীয় ৰাজনীতিজ্ঞজন ইটালিৰ নিকোলো মেকিয়াভেলি আৰু এওঁৰ **Il Principe** বা 'ৰজা' বাস্তৱৰ অভিজ্ঞতাৰ ওপৰত ৰচনা কৰা এক অপূৰ্ব্ব পুথি। ষোড়শ শতিকাৰ পৰা আজিৰ

যুগলৈকে ইয়াৰ অদ্ভুত প্ৰভাৱ; কিন্তু প্ৰায় ঊনবিংশ শতিকালৈ এইখনে ৰচনাকাৰক কুখ্যাতিৰে আৱৰি ৰাখিছিল। আনকি কিতাপখন জনাজাত হোৱাৰ অলপ দিনৰ ভিতৰতে 'মেকিয়াভেলিজম্' বুলি কথা এফাকিৰো সৃষ্টি হয় আৰু ইয়াৰ অৰ্থ হ'ল শঠতা, স্বাৰ্থপৰতা, প্ৰতিশোধপৰায়ণতা, বিষপ্ৰয়োগ আদি যিমানবিলাক সমাজ-অহিতৈষী লক্ষণ আছে সেইবিলাকৰ সমষ্টি। মেকিয়াভেলি আছিল স্বদেশপ্ৰেমী ৰাজবিষয়া আৰু তেওঁ সমসাময়িক বহুততকৈ ভাল মানুহেই আছিল; কিন্তু বেচেৰাই যি অপযশ লাভ কৰিলে সেই অপযশ ৰাজনীতিৰ ক্ষেত্ৰ ডেই গৈ সাহিত্যৰ ক্ষেত্ৰ পালেগৈ। ষোড়শ শতিকাৰ ইংৰাজী নাটকত ইয়াগো, বচোলা আদিৰ দৰে কপট, নিষ্ঠুৰ, নৰহত্যাকাৰী কেতবোৰ চৰিত্ৰই উটাপুটা লগালে। বহুত সময়ত শঠতা, লাম্পট্য, বিষপ্ৰয়োগ, অমানুষিক অত্যাচাৰ, বিধৰ্ম্মিতা আদি গোটেই নাটকখনৰে বিষয়বস্তু হৈ পৰিল। মেকিয়াভেলিয়ে হয়তো কৈছিল যে ৰজাই নিজৰ শক্তি অক্ষুণ্ণ ৰাখিবলৈ আৰু দেশৰ শক্তি সুসংহত কৰিবলৈ ভণ্ডামি আৰু নিষ্ঠুৰতাৰ আশ্ৰয় লব লাগে; কিন্তু মানুহে ভাবিলে—লাম্পট্য, প্ৰতিশোধপৰায়ণতা, আক্ৰোহ আদিও তেওঁৰে শিক্ষা। সেই কাৰণে ইংৰাজী নাটকৰ 'ডুম্মন' চৰিত্ৰ আক্ৰোহী আৰু লম্পটো হ'ল। মাৰ্লো, শ্বেক্‌ছপিয়াৰ আদিকে ধৰি মাৰ্ষ্টন, ৰেব্‌ষ্টাৰ, মেছিঞ্জাৰ, ফোৰ্ড আদি প্ৰায়বিলাক নাট্যকাৰেই 'মেকিয়াভেলিজম্'ৰ পৰা সমল আহৰণ কৰিবলৈ ধৰিলে। মাৰ্লো আৰু শ্বেক্‌ছপিয়াৰৰ নাটকত মেকিয়াভেলিৰ স্পষ্ট উল্লেখ আছে; মাৰ্লোৱে এঠাইত লিখিছে—

"মানুহে ভাবে মেকিয়াভেলি মৰিল," অৰ্থাৎ, মেকিয়াভেলি যে আছে এই কথা তেওঁ নাটকৰ জৰিয়তে প্ৰমাণ কৰিব।

মেকিয়াভেলিৰ কিতাপখন প্ৰকাশ হয় ১৫৩২ খৃষ্টাব্দত—তেওঁৰ মৃত্যুৰ পাঁচ বছৰ পাছত। কিন্তু অপ্ৰকাশিত অৱস্থাতে হাতেলিখা

কপি মানুহে পঢ়িবলৈ সুযোগ পায়। প্ৰকাশ হোৱাৰ কুৰি বছৰৰ ভিতৰতে কিতাপখনৰ পঁচিশটা সংস্কৰণ ওলায়। ইংলণ্ডত এই সময়ত লেটিন আৰু ফৰাচী অনুবাদৰ উপৰিও হাতে লিখা ইংৰাজী অনুবাদ ( ১৫৪০ খৃঃ ) প্ৰচাৰ হয়। তাৰ উপৰি ভ্ৰমণকাৰী লোকৰ জৰিয়তেও ইটালিৰ চিন্তাধাৰা আৰু মেকিয়াভেলি, আৰেটিনো আদি লিখকৰ ভাব বিয়পি পৰে। মেকিয়াভেলিক কুখ্যাত কৰাত সহায় কৰে ঘাইকৈ জেন্‌টিলেট্ নামে ফৰাচী লিখক এজনে। এওঁ ১৫৭৬ খৃষ্টাব্দত 'ৰজা' কিতাপখনৰ বেয়া লুটিটো অতি কুৰ্দ্ধচকৈ দেখুৱাই পুথি এখন ৰচনা কৰে। পুথিখনৰ বহুল প্ৰচাৰ হয় আৰু এই পুথিত ৰূপায়িত হোৱা মেকিয়াভেলিহে জনসমাজত বেছিকৈ প্ৰখ্যাত হৈ পৰে। জেন্‌টিলেটৰ কিতাপখনৰ কেইবছৰমানৰ আগতে অৱশ্যে কেথলিক ধৰ্ম্মৰ বদনামত সহায় কৰা বুলি ৰোমৰ পোপে মেকিয়াভেলিৰ কিতাপখনৰ প্ৰচাৰ বন্ধ কৰি পেলায়। শ্বেক্‌ছপিয়াৰৰ সমসাময়িক দাৰ্শনিক বেকনে মন্তব্য কৰিছিল যে মেকিয়াভেলিয়ে মানুহক যেনেৰূপে পাইছিল তেনেৰূপেহে বৰ্ণনা কৰিছিল, যেনে হব লাগে তেনেৰূপে নহয়। বেকনৰ মন্তব্য সময়ৰ প্ৰতিকূলে যোৱা যেন লাগিলেও তেওঁৰ ৰচনাবোৰতে মেকিয়াভেলিৰ দৰে সন্দিগ্ধবাদী আৰু লাভ-লোকচানৰ হিচাব ৰখা দৃষ্টিভঙ্গী এটিৰ পৰিচয় ওলায়।

## ( ২ )

১৪৬৯ খৃষ্টাব্দৰ ৩ মে তাৰিখে ফ্লোৰেন্স ৰাজ্যৰ পুৰণি সাধাৰণ অৱস্থাৰ পৰিয়াল এটিত নিকোলো মেকিয়াভেলিৰ জন্ম হয়। অৱশ্যে পৰিয়ালত বিদ্যাৰ্চ্চাৰ অভাৱ নাছিল। তেওঁৰ মাক আছিল কবি, আৰু দেউতাক আইনত অভিজ্ঞ পণ্ডিত। ফ্লোৰেন্স সেই সময়ত

মেডিচি ব্যৱসায়ীসকলৰ হাতৰ মুঠিত। মেডিচিসকল বেঙ্কৰ মালিক আৰু যথেষ্ট অৱস্থাপন্ন। এই সময়তে ইউৰোপীয় অৱস্থাপন্ন ভদ্ৰশ্ৰেণী বা বুৰ্জোৱাসকলে মূৰ দাঙি উঠিবলৈ যত্ন কৰে। মেকিয়াভেলিৰ পৰিয়ালে মেডিচিসকলৰ ক্ষমতা সহ্য কৰিব নোৱাৰিছিল। এই কাৰণে মেকিয়াভেলিৰ পৰিয়ালৰ এজনে কিছু বছৰৰ আগতে বন্দীশালত প্ৰাণ হেৰুৱায়। নিকোলো আৰু তেওঁৰ আইনজীৱী পিতৃয়েও নিজক প্ৰজাতন্ত্ৰী বিবেচনা কৰিছিল। নৱাভ্যুদয় যুগৰ আৰ্হি অনুসৰি লেটিন সাহিত্য আৰু লেটিনৰ জৰিয়তে গ্ৰীক সাহিত্যত নিকোলোৱে শিক্ষালাভ কৰে। তাৰ উপৰি দেউতাকৰ দৰে তেওঁ আইনৰো কিছু জ্ঞান লাভ কৰে। নিকোলো ডাঙৰ হোৱা সময়ত ফ্লোৰেঞ্চৰ শাসনকৰ্ত্তা আছিল লোৰেঞ্জো ডি মেগনি-ফিছেণ্ট। এওঁ নিজে বিদ্যানুৰাগী আছিল আৰু শিল্পী আৰু পণ্ডিত-সকলৰ সমাদৰ কৰিছিল। ১৪৯২ খৃষ্টাব্দত লোৰেঞ্জোৰ মৃত্যু হয়; তেওঁৰ ভায়েক পিয়াৰো দুবছৰৰ পাছত ফৰাচী আক্ৰমণকাৰীৰ সমুখত ৰাজ্যৰ পৰা খেদা খায়। তাৰ পাছত কেইবছৰমান বৰ গণ্ডগোলীয়া সময়। কিন্তু লাভৰ ভিতৰত ২৯ বছৰ বয়সত মেকিয়া-ভেলিয়ে চৰকাৰী বিষয় এটি পালে—বৈদেশিক আৰু সৈন্য বিভাগৰ চেক্ৰেটেৰিৰ বাব। তীক্ষ্ণবুদ্ধি মেকিয়াভেলিয়ে এইবেলি স্বদেশৰ কাৰণে কাম কৰিবলৈ সুচল পালে। তেওঁ ইমান পাৰ্গতালি দেখুৱালে যে ফ্ৰান্স, জাৰ্ম্মানি, ৰোম আদি ৰাজ্যলৈ বহুত বেলি তেওঁক দূত কৰি পঠিওৱা হ'ল। ১৫০২ খৃষ্টাব্দত তেওঁ বিয়া কৰায়। বিয়াৰ পিচতে তেওঁক ভেলেণ্টিনোৰ ডিউক চেজাৰেৰ ওচৰলৈ পঠিওৱা হয়। চেজাৰেৰ ব্যক্তিত্ব, সাহ আৰু কঠোৰ কৰ্ম্মক্ষমতাই তেওঁক বিশেষভাৱে আকৃষ্ট কৰে। তেওঁ চেজাৰেৰ চৰিত্ৰ আৰু কাৰ্য্যপন্থা বিশেষকৈ পৰ্য্যবেক্ষণ কৰে। তেৰ বছৰ চাকৰিৰ পাছত ভাগ্যৰ চকৰি আকৌ ঘূৰিল। পোপৰ চক্ৰান্তত যুদ্ধত হাৰি ফ্ৰান্সে মিলান ত্যাগ কৰি ফ্লোৰেঞ্চৰ দুৱাৰমুখত উপস্থিত হ'লহি। ফ্লোৰেঞ্চ

ফ্লাঞ্চৰ প্ৰতি সহানুভূতিশীল আছিল যদিও এতিয়া স্বাধীনতা হেৰুৱাব লাগিল বুলি আতঙ্কত ফ্লোৰেঞ্চবাসীয়ে পুৰণি মেডিচি পৰিয়ালক আদৰি আনি শাসনৰ গদীত বহুৱালে ; মেকিয়াভেলিৰ চাকৰি গ'ল। তেওঁক ফ্লোৰেঞ্চৰ পৰা বহিষ্কাৰো কৰিলে।

এনে সময়তে মেডিচি পৰিয়ালৰ বিপক্ষে ষড়যন্ত্ৰ কৰা বুলি তেওঁৰ উপৰত দায় তোলা হ'ল। বেচেৰাক ধৰি-বান্ধি নি জেলত সুমুৱাই শাৰীৰিক যাতনাও দিয়া হল। তথাপি যথেষ্ট সাহ আৰু ধৈৰ্য্যেৰে তেওঁ সকলো দুৰ্গতি সহ্য কৰিলে, আনকি জেলৰ লেতেৰা দুৰ্গন্ধময় পৰিবেশত থাকিবলৈ লৈয়ো চনেটহে ৰচনা কৰিলে। এই চনেটৰ কেইটামান নগৰৰ নতুন শাসনকৰ্ত্তা জিউলিয়ানো ডে মেডিচিকো উছৰ্গা কৰা হৈছিল। এইবোৰৰ মৰ্ম্ম আছিল যে তেওঁ নিৰ্দ্দোষ, শত্ৰুৰ উচটনিতহে তেওঁৰ এনে দুৰ্গতি হবলৈ পাইছে। অলপ দিনৰ পিচতে অৱশ্যে মেডিচি পৰিয়ালৰ জিয়োভান্নি নামৰজনে পোপ পদৰ বাছনি পোৱাত তেওঁক মুকলি কৰি দিয়া হ'ল। তেওঁ কিন্তু নজৰবন্দী হৈ থাকিল।

ফ্লোৰেঞ্চৰ পৰা অলপ আঁতৰৰ গ্ৰাম্য অঞ্চলত বাস কৰিবলৈ লৈ তেওঁ এইবেলি কিতাপ-পত্ৰৰ মাজত নিজক বুৰাই ৰাখিলে। অধ্যয়নৰ প্ৰতি তেওঁৰ অনুৰাগ আগৰ পৰা আছিল, আনকি ৰাজনৈতিক কামত ৰোম আদি ঠাইত ঘূৰি ফুৰোঁতেও তেওঁ বন্ধু-বান্ধৱলৈ কিতাপ খুজি চিঠি পঠিয়াইছিল। এবেলি এক বন্ধুৱে প্লুটাৰ্ক-ৰচিত 'জীৱনীমালা' কিতাপখন ততালিকে পঠিয়াবলৈ অসমৰ্থ হৈ উত্তৰ দিছিল এইদৰে, "...ইমানবিলাক বস্তু খুজি তুমি আমাৰ মস্কিলৰহে হেতু হৈছা।" সি যি নহওক, লাহি শৰীৰ আৰু সৰু মূৰৰ মানুহজনৰ ক'লা চকুত দীপ্তি, পাতল ওঁঠত ব্যঙ্গৰ হাঁহি, সমুখত কাগজ-পত্ৰ আৰু অন্তৰত নানান সিদ্ধান্তৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া— বনবাসী মেকিয়াভেলিৰ এনে ছবি এটা কল্পনা কৰা টান নহয়। বন্ধু এজনলৈ লিখা চিঠি এখনত তেওঁৰ এই সময়ৰ কাৰ্য্য-তালিকাৰ

আভাসো পোৱা যায়। দোকমোকালিতে উঠি তেওঁ ঘৰৰ কাষতে থকা হাবি এখনলৈ যায়। তাত কাঠকটীয়াই গছ পেলায়। তাকে তেওঁ চায় আৰু সিহঁতৰ লগত কিছু সময় মেল মাৰে। তাৰ পাছত অলপ আঁতৰৰ পাহাৰ এখনলৈ গৈ তেওঁ ডান্টে, পেট্ৰাৰ্ক, ওভিড আদি লিখকৰ প্ৰেমমূলক ৰচনা পাঠ কৰে। দুপৰীয়া সামান্য আহাৰ খাই তেওঁ ওচৰৰ হোটেললৈ ( inn ) গৈ হোটেলৱালা, মঙহবিক্ৰেতা, দুজনমান ইটামিস্ত্ৰি আদি 'চহাৰ' লগত তৰ্ক কৰি, মদ খাই আৰু তাচ বা পাশা খেলি সময় কটায়। "সাঁজ লাগিলে মই ঘৰলৈ উভতি পঢ়া কোঠালিত সোমাওঁ। সোমোৱাৰ আগেয়ে মই লেতেৰা গাৰ্হলীয়া কাপোৰ-কানি সোলোকাই থৈ মোৰ ৰাজকীয় ( চৰ্কাৰী ) পোছাক পিন্ধি লওঁ। ৰাজকীয় পোছাকত উপযুক্তভাবে সজ্জিত হৈ পুৰণি কালৰ লোকৰ সমাজত প্ৰবেশ কৰোঁ। তেওঁলোকৰ আদৰ লাভ কৰি যি আহাৰ মোৰ প্ৰকৃত জীৱনী আৰু যি আহাৰে মোক এই অৱস্থালৈ আনিছে সেই আহাৰ গ্ৰহণ কৰোঁ। মই তেওঁ-লোকৰ লগত কথা পাতোঁ আৰু তেওঁলোকৰ কাৰ্য্যবিলাকৰ কাৰণ সোধোঁ। দয়াৰ বশত তেওঁলোকে মোক সমিধান দিয়ে। দাৰিদ্ৰ্য বা মৃত্যুৰ প্ৰতি আৰু মোৰ ভয় নাই।...এই টোকাবিলাকৰ পৰা পুস্তিকা এখনি ৰচনা কৰিলোঁ—ইল্ প্ৰিন্‌চিপে ( বা ৰজা )।" কিতাপখন লিখা হৈছিল ১৫১৩ খৃষ্টাব্দৰ দ্বিতীয় ভাগত। ইয়াৰ পিচত আৰু সাতবছৰমান কাল তেওঁ এইদৰে নগৰৰ পৰা আঁতৰত অকলশৰীয়াভাবে কটায়। এই সময়ৰ ভিতৰতে তেওঁৰ মূল্যবান ৰচনাবিলাক লিখি উলিওৱা হয়।

কিতাপখন মেডিচিসকলৰ এজনক উছৰ্গা কৰিবলৈ তেওঁ মন কৰিছিল, কিয়নো তেওঁৰ ভাব আছিল কিতাপখনিৰ বাবে তেওঁ আকৌ ৰাইজৰ সেৱালৈ উভতি যাব পাৰিবই। ফ্লোৰেন্সৰ শাসনকৰ্তা জিউলিয়ানো ৰাইজৰ অপ্ৰিয়ভাজন হৈ খোদা খোৱাত তেওঁৰ ভতিজাক লোৰেঞ্জোক কিতাপখন উছৰ্গা কৰা হয়। সম্ভৱ লোৰেঞ্জোৱে তেওঁৰ

মৃত্যুৰ আগতে ( ১৫১৯ ) চিঠিখন নাপালে। কিতাপখন কিন্তু হাতে লিখা অৱস্থাতে জনাজাত হল আৰু দুই একে তাৰ কথা নিজৰ কৰি চোৰাংকৈও প্ৰকাশো কৰিলে। কিতাপখন মেকিয়াভেলিৰ মৃত্যুৰ পাঁচ বছৰ পাছত (১৫৩২) ছপা হৈ ওলায়। জীৱনৰ শেহৰ ফালে বন্ধু-বান্ধৱ আৰু ফ্লোৰেঞ্চৰ অনুষ্ঠান দুই-এটিৰ পৃষ্ঠপোষকতাত তেওঁক সৰু-সুৰা ৰাজকীয় কামত নিয়োগ কৰা হৈছিল আৰু শেহত মেডিচি এজনে পাৰিশ্ৰমিক দি তেওঁৰ হতুৱাই 'ফ্লোৰেঞ্চৰ বুৰঞ্জী' লিখাই লৈছিল। মেকিয়াভেলিৰ ৰাজনৈতিক চিন্তা তেওঁৰ বিভিন্ন ৰচনাত সিঁচৰতি হৈ আছে; এইবিলাকৰ ভিতৰত অৱশ্যে 'ৰজা' কিতাপখনেই বেছি খ্যাতি লাভ কৰিছে। তেওঁ কবিতা আৰু ৰঢ়িয়া ৰঙ্গনাটো ৰচনা কৰিছিল। বৰ্ত্তমান ৰচনাত 'ৰজা' কিতাপৰ পৰা দুটিমান অধ্যায় অনুবাদ কৰি দিয়া হ'ল।

( ৩ )

**পঞ্চদশ অধ্যায়ঃ—মানুহে, বিশেষকৈ ৰজাই, কি কি কাৰণত সদনাম বা বদনাম পায়—**

"ৰজাই তেওঁৰ প্ৰজা আৰু বান্ধৱসকলৰ প্ৰতি কি নিয়ম মানি চলিব লাগে চোৱা যাওক।...কামত লগা কথা লিখা যেতিয়া মোৰ উদ্দেশ্য, মিছাকৈ কল্পনাৰ সহায় লোৱাতকৈ বিষয়টোৰ সত্য ৰূপলৈ যোৱাটোহে যুগুত যেন লাগে। বহুতে অৱশ্যে বিভিন্ন ৰাষ্ট্ৰৰ কথা কল্পনা কৰে কিন্তু এইবিলাকৰ অৱস্থিতিয়ে নাই। আমি যিদৰে জীয়াই থাকোঁ এই কথা আমি যিদৰে জীয়াই থাকিব লাগে এই কথাৰপৰা ইমান আঁতৰত যে যিজনে যি কৰা হয় তাক আওকাণ কৰি যি কৰা যুগুত এই কথালৈ যায়, তেওঁ নিজৰ অস্তিত্ব ৰখা দূৰৈৰ কথা ধ্বংসহে চপাই লয়। যিজনে সকলো ক্ষেত্ৰতে সাধুতা

দেখুৱাবলৈ যায় তেওঁ অসাধু ইমানবিলাকৰ মাজত বিপদতহে পৰে। এই হেতু যি ৰজাই নিজক বৰ্ত্তাই ৰাখিব খোজে তেওঁ কেনেকৈ অসৎ (অসাধু) হব পাৰি আৰু অৱস্থা বিশেষে কেনেকৈ হব নোৱাৰি এই জ্ঞান আয়ত্ত কৰি থোৱা দৰ্কাৰ।

"তেনেহলে, কল্পনাপ্ৰসূত ৰজাৰ যি যি দৰ্কাৰ সেইবোৰ এহতীয়াকৈ থৈ, প্ৰকৃত ৰজা যিবিলাক সেইবিলাকৰ বিষয়ে কবলৈ গৈ মই উক্তি কৰোঁ যে ওপৰৰ আসনত অধিষ্ঠিত সকলো মানুহৰ, বিশেষকৈ ৰজাৰ, কেতবোৰ লক্ষণ থাকে যিবিলাকে তেওঁলোকক সদনাম বা বদনামৰ ভাগী কৰে। যেনে কোনোবাজনক আখ্যা দিয়া হয় উদাৰ, কোনোবাজনক কৃপণ; কোনোবাজনে খুজিলেই দিয়ে, কোনোবা আক্ৰোহী; কোনোবা নিষ্ঠুৰ, কোনোবা ক্ষমাশীল; কোনোবাই কথা নাৰাখে, কোনোবা নিৰ্ভৰযোগ্য; কোনোবাজনৰ নাৰী-প্ৰকৃতি আৰু ভয়, কোনোবা বাগী আৰু তেজী; কোনোবা দয়ালু, আন এজন গৰ্বিত; এজন লম্পট, আন এজন সংযমী; এজন খোলা মনৰ, আন এজন টেঙৰ; এজন টান, আন এজন ঢিলা; এজন গহীন, আন এজন পাতল; এজনৰ ধৰ্ম্মত মতি, আন এজন নাস্তিক; ইত্যাদি। প্ৰত্যেকে কব যে ওপৰৰ ভাল বুলি জনাজাত গুণখিনি যি ৰজাৰ থাকে তেওঁ প্ৰশংসাৰ পাত্ৰ। কিন্তু আটাইখিনি যেতিয়া এজনৰ একেলগে নাথাকে বা থাকিলেও চকুত নপৰে, তেওঁৰ এই বুদ্ধি থকা যুগুত যাতে যি দোষ বা কুলক্ষণৰ বদনামৰ পৰা তেওঁৰ ৰাজ্য নাশ হব পাৰে সেই দোষ বা কুলক্ষণ তেওঁ লুকাই ৰাখিব পাৰে, আৰু যিবিলাকৰ পৰা ৰাজ্য হয়তো নাযায় সেই-বিলাকৰ পৰা সতৰ্ক হব পাৰে,—নোৱাৰিলে অৱশ্যে বেছি আশঙ্কা নকৰাকৈ সেইবিলাকৰ আপডাল কৰিবও পাৰে; কিন্তু তথাপি যিবিলাক দোষৰ সহায় নোলোৱাকৈ ৰাজ্যখন ৰক্ষা কৰিব নোৱাৰি সেইবিলাকৰ বদনাম বা কুখ্যাতি তেওঁ আওকান কৰিব লাগে। কিয়নো দেখা যায় যে যিবিলাক হয়তো গুণ বুলি পৰিগণিত সেই-

বিলাক অনুশীলন কৰিলে ধ্বংস ওচৰ চাপে আৰু আন কিছুমান যিবিলাকক মানুহে দোষ বুলি কয় সেইবিলাক চৰ্চ্চা কৰিলে নিৰাপত্তা লাভ হয় আৰু শ্ৰী বাঢ়ে।”

এই অধ্যায়টোত নীতিসম্পৰ্কে মানুহৰ কেনে ভাব থকা যুগুত তাৰ আভাস পোৱা যায়। মনত খেলায় যেন মেকিয়াভেলিয়ে অনীতি বা কুলক্ষণবিলাকৰহে তাৰিফ কৰিছে। ওপৰে ওপৰে চালে ইয়াৰ এনে অৰ্থ কৰিব পাৰি—মানুহে আনবিলাকে যেনেদৰে চলে তেনেদৰে চলিব লাগে বা চলা যেন দেখুৱাব লাগে; যদিহে তেওঁ যিদৰে চলা শ্ৰেয়ঃ সেইদৰে চলে তেনেহলে তেওঁৰ পতন অনিৰাৰ্য্য। আনবিলাকে যেনেদৰে চলে সেইদৰে চলিলে মানুহ বেছি বেয়া নহবও পাৰে, কিয়নো আমাৰ বিশ্বাস বা অভিজ্ঞতা যে সাধাৰণৰ পথ অনুসৰণ কৰিলে কৰলগীয়া একো নাথাকেই। মাথোন এই-খিনিতে সোঁৱৰাই থোৱা যুগুত যে মেকিয়াভেলিৰ বিবেচনাত সাধাৰণ বা ইতৰজনৰ নৈতিক মান নিচেই তলত। মানুহৰ ভয়ৰ পাত্ৰ হোৱা ভাল নে মৰমৰ পাত্ৰ হোৱা ভাল এই কথা আলোচনা কৰি সপ্তদশ অধ্যায়ত তেওঁ লিখিছে:—

“জনসাধাৰণৰ বিষয়ে মুঠতে এইখিনি কৈ থব পাৰি যে সিহঁত অকৃতজ্ঞ, পাতল, মিছলীয়া; যেতিয়ালৈকে তোমাৰ পৰা সিহঁতে লাভৰ আশা দেখে তেতিয়ালৈকে সিহঁত তোমাৰ বশ।…কিন্তু আতুৰৰ সময়ত সিহঁতে বিদ্ৰোহ কৰি উঠে।”

মানুহসম্পৰ্কে এনে দৃষ্টিভঙ্গী এটি লৈ তাৰ ভেটিতে তেওঁ ৰাজনীতি বা শাসননীতিৰ তথ্যবোৰ থিয় কৰিছিল। এই প্ৰসঙ্গত অষ্টাদশ অধ্যায়টোও লক্ষ্য কৰিবলগীয়া।

অষ্টাদশ অধ্যায়:—ৰজাই কিদৰে বিশ্বাস বা কথা ৰাখিব লাগে—

“টেঙৰালিৰ ওপৰত নিৰ্ভৰ নকৰি কথা ৰখা আৰু সততাৰে শাসন কৰা কিমান প্ৰশংসনীয় আটায়ে জানে। তথাপি এই সময়ৰ

অভিজ্ঞতাই দেখুৱায় যে যিবিলাক ৰজাই বিশ্বাস অকণো ৰখা নাই আৰু টেঙৰালিৰে সাধাৰণক ভুৱা দিব পাৰিছে আৰু আনুগত্যকে সাৰ কৰাসকলক শেষত দমন কৰিছে সেইবিলাক ৰজায়ে বেছ কাম দেখুৱাব পাৰিছে।

"তেনেহলে জনা যুগুত যে যুদ্ধ কৰাৰ দুই নিয়ম—এক আইনৰ (বা ন্যায়ৰ) মতে, আনটো শক্তিৰ আশ্ৰয়ত। প্ৰথম নিয়ম মানুহৰ, দ্বিতীয়টো পশুৰ; কিন্তু যিহেতু প্ৰথমটোৱে বহুত সময়ত কাম নহয় দ্বিতীয়টোৰো আশ্ৰয় লব লগা হয়। মানুহ আৰু পশু এই দুয়োটাকে কিদৰে প্ৰয়োগ কৰিব পাৰি এই জ্ঞান ৰজাই আয়ত্ত কৰিব লাগে।

"আগৰ দিনৰ লিখকসকলে এই কথা থোৰতে শাসকসকলক শিকাইছিল। এওঁলোকে লিখি গৈছে যে আকিলিজ আদি সেই যুগৰ ৰাজকুমাৰক কিৰন নামৰ চেণ্টোৰৰ কাষলৈ শিক্ষাৰ অৰ্থে পঠিওৱা হৈছিল। এই অৰ্দ্ধ-পশু অৰ্দ্ধ-মানৱ শিক্ষকৰ সাধুৱে সূচায় কেনেকৈ দুয়োবিধ প্ৰকৃতিকে ব্যৱহাৰ কৰিব লাগে আৰু আনটো নহলে ইটোৱে স্থায়ী কাম নহয় এই তথ্য ৰজাই জানিব লাগে।

"এইদৰে পশুৰ দৰে কাৰ্য্য কৰিবলৈ বাধ্য হৈ ৰজাই সিংহ আৰু শিয়ালক অনুকৰণ কৰিব লাগে; কিয়নো সিংহই ফান্দৰ পৰা নিজক ভাৰিব নোৱাৰে আৰু শিয়ালেও কুকুৰনেচীয়াৰ পৰা ৰক্ষা নাপায়। সেই কাৰণে ফান্দ পাতিছেনে নাই তৰ্কিবলৈ হব লাগিব শিয়াল আৰু কুকুৰনেচীয়াক খেদিবলৈ হব লাগিব সিংহ। যি অকল সিংহহে হ'ব খোজে তেওঁ এই কথাৰ ভু নেপায়। এই হেতু, আস্থা বা বিশ্বাস ৰাখিলে যদি তেওঁৰ ক্ষতি হয় আৰু যিবিলাক কাৰণত তেওঁ আসনত অধিষ্ঠিত হৈছিল সেই কাৰণবিলাকৰ বান্ধ যদি নাইকিয়া হয় তেতিয়া দূৰদৰ্শী শাসকে বিশ্বাস ৰাখিব নালাগে। অৱশ্যে যদি মানুহ আটাইবিলাকেই সৎ হয় তেতিয়া এই নিয়ম উচিত নহব, কিন্তু যিহেতু তেওঁলোক অসৎ আৰু তেওঁলোকে আপোনাৰ

লগত বিশ্বাস নাৰাখে সেই হেতু আপুনিও তেওঁলোকৰ লগত বিশ্বাসৰ সম্বন্ধ ৰাখিবলৈ বাধ্য নহয়। আকৌ, যদি ৰজাই তেওঁৰ প্ৰতিজ্ঞা কিয় নাৰাখিলে তাৰ যুক্তি দেখুৱাব খোজে তেনেহলে তাৰো অভাৱ নহব। এই কথাৰ বৰ্ত্তমান যুগৰ বহুতো চানেকি পোৱা যায়। কিমান প্ৰতিজ্ঞা, কিমান শান্তি ( সন্ধি ) ৰজাৰ বিশ্বাসঘাটকতাই বিফল কৰিছে আৰু শিয়ালক অনুকৰণ কৰাজনেই যে কৃতকাৰ্য্য হৈছে এইবিলাক চানেকিয়ে আঙুলিয়াই দিয়ে। কিন্তু এই প্ৰকৃতি ঢাকি ৰাখিবলৈ সামৰ্থ্য থকা আৰু ডাঙৰ ভণ্ড আৰু প্ৰতাৰক হব পৰা দৰ্কাৰ। মানুহ ইমান হোজা আৰু মানুহে সাময়িক অভাৱৰ হেচা ইমানকৈ মানে যে যিজনে ঠগিবলৈ ইচ্ছা কৰে তেওঁ ঠগ খাব খোজা মানুহ সদায় পায়। আধুনিক যুগৰ চানেকি মই মাথোন এটি উল্লেখ কৰিম। ( পোপ ) ষষ্ঠ আলেকজেণ্ডাৰে মানুহক ঠগাৰ বাহিৰে আন একো নকৰিছিল, তেওঁ আন একোৱে চিন্তা নকৰিছিল আৰু এই কামৰ বাবে তেওঁ সুযোগো উলিয়াইছিল। তেওঁ মানুহক যিদৰে আশা-ভৰসা দিব পাৰিছিল আৰু যিমান জোৰেৰে শপত খাব পাৰিছিল তেনেকৈ আন কোনেও নোৱাৰিছিল, আৰু কোনো মানুহেই তেওঁতকৈ কম কথা নাৰাখিছিল; তথাপি এই বিদ্যাত তেওঁৰ ব্যুৎপত্তি থকা কাৰণে প্ৰতাৰণাত তেওঁ সদায় সিদ্ধ হৈছিল।

"ওপৰত উল্লেখ কৰা আটাইবিলাক লক্ষণ ৰজাৰ নাথাকিলেও হয়, কিন্তু থকা যেন দেখুওৱাটো বিশেষ দৰ্কাৰ। মই ইমানখিনি কবলৈয়ো সাহ কৰোঁ যে সেইবিলাক থকা আৰু সদায় তাৰ প্ৰয়োগ কৰাটোও বিপজ্জনক, কিন্তু সেইবিলাক থকা যেন দেখুওৱাটো হলে কাৰ্য্যকৰী; এতেকে ক্ষমাশীল, বিশ্বাসী, দয়ালু, একাগ্ৰ বা ধৰ্ম্মিষ্ঠ যেন দেখুওৱা আৰু সেই লক্ষণ সঁচাকৈয়ে থকা ভাল; আপোনাৰ মনৰ গতি এনে হব লাগে যাতে কিবা প্ৰয়োজন উপজিলেই আপুনি আন আন লক্ষণলৈ ততালিকে যাব পাৰে। এইটোও বুজা উচিত

যে ৰজাই—বিশেষকৈ নতুনকৈ আসনত উঠা ৰজাই—ভাল বুলি খ্যাত গুণাৱলীৰ কৰ্ষণ কৰিব নোৱাৰে, কিয়নো ৰাজ্যৰ স্থিতিৰ হকে তেওঁ বিশ্বাস, দাক্ষিণ্য, মানৱতা আৰু ধৰ্ম্মৰ প্ৰতিকূলে যাবলৈ বাধ্য হয়। এইকাৰণেই, তেওঁ বতাহৰ চাল অনুসৰি আৰু ভাগ্যৰ নিৰ্দ্দেশ অনুসৰি মন খাপ খুৱাব লাগিব, অথচ মই আগেয়ে কৈ অহামতে—পাৰিলে তেওঁ সতৰ পৰাও আঁতৰি যাব নালাগিব, কিন্তু বাধ্য হলে অসৎ কাম কৰিব পাৰিব লাগিব।

"ৰজাই চাব যাতে যিয়েই তেওঁৰ মুখৰ পৰা নোলাওক সি যাতে ওপৰত উল্লিকিওৱা পাঁচোটা লক্ষণেৰে পূৰ হৈ থাকে; আৰু তেওঁক দেখিলেই বা তেওঁৰ বাক্য শুনিলেই তেওঁ যেন ক্ষমা, বিশ্বাস, সততা, মানৱতা আৰু ধৰ্ম্মৰ প্ৰতিমূৰ্ত্তি—এনে ভাব হোৱা যুগুত। শেষৰ লক্ষণটো থকা যেন দেখুওৱা আটাইতকৈ দৰ্কাৰী; কিয়নো মানুহে সচৰাচৰ হাতেৰে চুই পৰীক্ষা কৰাতকৈ চকুৰে চাইহে পৰীক্ষা কৰে, কিয়নো প্ৰত্যেকেই দেখা পায় ( চাব পাৰে ) আৰু কমেই চুই চাবলগীয়া হয়। আপুনি নিজক কেনে দেখুৱায় আটায়ে দেখে, আপুনি ( প্ৰকৃততে ) কেনে অতি কমেই অনুভব কৰে আৰু এই তাকৰীয়াসংখ্যক লোকে ৰাজ্যৰ গৰিমাই আগুৰি ৰখা সৰহসংখ্যকৰ প্ৰতিকূলে যাবলৈ সাহ নকৰে; আৰু মানুহৰ কাৰ্য্যাৱলীত, বিশেষকৈ ৰজাৰ ক্ষেত্ৰত—যাৰ পৰা প্ৰতিবিধান কামনা কৰিব নোৱাৰি, লক্ষ্য যি সিহে পন্থাৰ যুক্তিযুক্ততা নিৰ্ণয় কৰে। সেই কাৰণে ৰজাই ৰাজ্য জয় কৰি তাৰ স্থিতিৰ হকে চেষ্টা কৰক, তেওঁ যি পন্থা লয় তাক প্ৰত্যেকেই সন্মানজনক বিবেচনা কৰি প্ৰশংসা কৰিব, কিয়নো ইতৰজন বাহিৰৰ ৰূপ আৰু ঘটনাৰ পৰিশেষৰ ( ফলাফল ) দ্বাৰা সদায় মোহ যায়; সংসাৰখনো ইতৰজনৰ দ্বাৰাহে পৰিপূৰ্ণ; যি অলপসংখ্যক ইতৰজন নহয় তেওঁলোকো সৰহখিনি ৰজাৰ অনুগামী হৈ পৰিলে একাষৰীয়া হৈ ৰয়। মই নাম নকওঁ, কিন্তু এজন ৰজাই বৰ্ত্তমান সময়ত শান্তি আৰু বিশ্বাসৰ বাহিৰে আন

একোকে নাগায়; অথচ তেওঁ দুয়োটিৰে প্ৰচণ্ড শত্ৰু, আৰু তেওঁ যদি এই দুটিৰ যেই সেই এটিৰো কৰ্ষণ কৰিলেহেঁতেন সিহঁতে কেইবা-বেলিও তেওঁৰ ৰাজ্য বা খ্যাতি লোপ পোৱালেহেঁতেন।"

মেকিয়াভেলিৰ মতে যুদ্ধ কৰা যি দুই নিয়ম—এক আইনৰ মতে, আনটো শক্তিৰ আশ্ৰয়ত—এই সিদ্ধান্তৰ ব্যাখ্যাত ৰোমান লিখক চিচেৰোৰ চিন্তাৰ সোঁৱৰণ আছে, মাথোন চিচেৰোৱে যিধৰণে কৈছিল তাক ঘূৰাই আনধৰণে কোৱা হ'ল। চিচেৰোৱে লিখিছিল, "কাজিয়া নিস্পত্তি কৰাৰ দুই পন্থা—প্ৰথম আলোচনাৰ জৰিয়তে; দ্বিতীয়, গাৰ জোৰেৰে; আৰু যেহেতু প্ৰথমটো মানুহৰ লক্ষণ আৰু দ্বিতীয়টো পশুৰ, যেতিয়া দেখোঁ যে আলোচনাৰ জৰিয়তে কাম সিদ্ধ নহয় তেতিয়াহে আমি জোৰৰ ওচৰ চপা যুগুত।" আকৌ, "যেহেতু অন্যায় (ক্ষতি) কৰিব পাৰি দুয়ো প্ৰকাৰে—জোৰ নাইবা শঠতাৰ জৰিয়তে, দুয়োবিধেই পাশৱিক: শঠতা যেন ধূৰ্ত্ত শিয়ালৰ বৈশিষ্ট্য, জোৰ সিংহৰ; মানুহৰ উপযুক্ত এটাও নহয়, কিন্তু শঠতা বেছি ঘৃণনীয়।"

## (৪)

"যিহেতু তেওঁলোক অসৎ আৰু তেওঁলোকে আপোনাৰ ওপৰত বিশ্বাস নাৰাখে, সেইহেতু আপুনিও তেওঁলোকৰ লগত বিশ্বাসৰ সম্বন্ধ ৰাখিবলৈ বাধ্য নহয়"—এনে সিদ্ধান্ত সম্ভৱ আজিৰ যুগৰ ৰাজনীতিত অপৰিচিত নহয়। মেকিয়াভেলিয়ে নীতি প্ৰচাৰ কৰা নাছিল, কৰিছিল ৰাজনীতি; সিও বিশেষ এটি অৱস্থাৰ লগত খাপ খুৱাই। এই সিদ্ধান্তবিলাকৰ প্ৰমাণ তেওঁ বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল পুৰণি ৰোমৰ ইতিহাসত। ওপৰৰ অধ্যায়ত ষষ্ঠ আলেকজেণ্ডাৰৰ উল্লেখ আছে। এই ষষ্ঠ আলেকজেণ্ডাৰ ৰোমৰ পোপ; ইউৰোপৰ

কেথলিক ধৰ্ম্মত আটাইতকৈ ওখ আসনত তেওঁৰ স্থান। কিন্তু তেওঁ, তেওঁৰ কন্যা লুক্রেজিয়া, আৰু পুত্ৰ চেজাৰে বৰ্জিয়াৰ এনে কিছুমান দোষ আছিল যিবিলাক উচ্চাৰণ কৰিবলৈকেও লাজ লাগে। মেকিয়াভেলিৰ বিষয়ে শকত প্ৰামাণ্য গ্ৰন্থ লিখোঁতা ভিলাৰিৰ ভাষাত, "চোৰাং হত্যাকাৰী, পাতুৰী, স্পেইনদেশীয় লোক, আৰু পাতল স্বভাৱৰ তিৰোতাৰে ৰোম উপচি পৰিয়ছিল; সকলো-ৰকমৰ অপৰাধৰ সীমা নাছিল," আৰু এই সামাজিক পটভূমিৰ ষষ্ঠ আলেকজেণ্ডাৰ আৰু তেওঁৰ পুত্ৰ-কন্যা আদি আছিল উপযুক্ত প্ৰতিনিধি। সেই সময়ৰ ঐতিহাসিক গুইচ্চিয়াৰ্ডিনিয়েও বৰ্জিয়া পৰিয়ালৰ গুণাৱলীৰ সবিশেষ বৰ্ণনা থৈ গৈছে। বিশ্বাসঘাটকতা, বিষপ্ৰয়োগ, অস্বাভাৱিক যৌন-অভিজ্ঞতা, আক্ৰোহ আদি কুলক্ষণেৰে এওঁলোক বিভূষিত আছিল।

এনেস্থলত ষষ্ঠ আলেকজেণ্ডাৰ বা তেওঁৰ পুতেক চেজাৰে বৰ্জিয়াক তাৰিফ কৰাৰ যুক্তি পাবলৈ টান। মেকিয়াভেলিক এই কাৰণে জগৰীয়া কৰাও হৈছে। মেকিয়াভেলিৰ যুক্তি সম্ভৱ এয়ে—এজন টেঙৰ, শক্তিশালী পুৰুষে খণ্ড-বিখণ্ড হৈ থকা দেশখন গোট নুখুৱালে আন কোনেও নোৱাৰে; স্বদেশৰ ঐক্য আৰু স্বাধীনতা আন সকলো কথাতকৈ আগ, তাৰ কাৰণে নীতি, ন্যায়—সকলো ত্যাগ কৰা যুগুত। মেকিয়াভেলিয়ে ভাবিছিল যে কৰ্ম্মঠ আৰু ন্যায়-অন্যায়ৰ বিচাৰ নথকা চেজাৰে বৰ্জিয়াৰ দ্বাৰাই ইটালিৰ ঐক্য সম্ভৱ হব। বিশেষ উদ্দেশ্য-সিদ্ধিৰ কাৰণে অসৎ পন্থা লবলৈ নিৰ্দ্দেশ দিলেও মেকিয়া-ভেলিয়ে অসৎ পন্থাকে সাৰোগত কৰা শ্ৰেয়ঃ এইবুলি সিদ্ধান্ত দিয়া যেন নালাগে; চেজাৰেসম্পৰ্কে অলপ মস্কিলত পৰি তেওঁ কিতাপখনৰ সপ্তম অধ্যায়ত মন্তব্য কৰিছে এইদৰে—"ডিউকজনৰ ( চেজাৰেৰ ) সকলো কাৰ্য্য পৰ্য্যালোচনা কৰি তেওঁক দোষ দিবৰ মই একো নাপাওঁ, বৰং যিসকলে নিজৰ ভাগ্য আৰু পৰৰ শক্তিৰ জখলাত ওপৰলৈ উঠিছে তেওঁক সেইসকলৰ চানেকিহিচাবেহে দাঙি ধৰিবলৈ

বাধ্য হৈছোঁ।” কার্য্যতঃ ধূর্ত্ত বা শঠ হোৱাৰো এটি সীমা আছে ; কাৰণ যিবিলাক অস্ত্ৰেৰে এজন ডাঙৰ হয় সেইবিলাক অস্ত্ৰেৰেই তেওঁক আনে নিপাত কৰে। চেজাৰে বৰ্জিয়াও শেহত ধ্বংসৰ মুখত পৰিছিল। ইংৰাজ ঐতিহাসিক হাৰ্ণশ্বৰ ভাষাত, বিবেক বৰ্জ্জন কৰা শঠতাৰ পৰিণাম সকলো যুগতে একে—ক্ষন্তেকীয়া বিজয় আৰু পিছত, যেতিয়া মানৱৰ বিবেক আৰু সাহ বিদ্ৰোহী হৈ উঠে, তেতিয়া সমূল পতন আৰু ধ্বংস। গান্ধীজীয়ে আমাক যি আদৰ্শ দেখুৱাইছে তাত শঠতাৰ স্থান নাই ; গান্ধীয়ে পন্থাৰ সততা অৰ্থাৎ সৎ উদ্দেশ্য আৰু তাৰ সিদ্ধিৰ কাৰণে সৎ উপায় অৱলম্বন কৰা নীতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। গান্ধীবাদত মেকিয়াভেলিৰ ‘লক্ষ্য যি সিহে পন্থাৰ যুক্তিযুক্ততা নিৰ্ণয় কৰে’ তথ্যৰ স্থান দুষ্প্ৰাপ্য।

( ৫ )

কিতাপখনৰ ষড়বিংশ অধ্যায়ত স্বদেশপ্ৰেমী মেকিয়াভেলিৰ মনোভাব সুস্পষ্ট। এই অধ্যায়ত এওঁ জাতীয়তাবাদৰ পুৰোহিত আৰু ইয়াত তেওঁ বিদেশী শত্ৰুক বিতাৰিত কৰি ইটালিক মুক্তি দিবলৈ মেডিচিসকলক আহ্বান জনাইছে। মেকিয়াভেলিয়ে অধ্যায়টো আৰম্ভ কৰিছে এইদৰে—

“আগেয়ে কৈ অহা সকলো কথা পুনৰ বিবেচনা কৰি আৰু বৰ্ত্তমান সময় ইটালিৰ নতুন ৰজা এজনৰ কাৰণে অনুকূল হয়নে নহয়, আৰু নিজৰ সম্মান আৰু ৰাইজৰ হিত সাধিব পৰা নতুন ব্যৱস্থা প্ৰৱৰ্ত্তাবলৈ দূৰদৰ্শী আৰু সক্ষম লোক এজনক সুযোগ দিব পৰা ( ৰাজনৈতিক ) অৱস্থা আছেনে নাই চিন্তা কৰি, মই পাওঁ যে ইমান-বিলাক হেতুৱে ন শাসনকৰ্ত্তা এজনৰ কথা তোলে যে এই কামৰ কাৰণে মই আৰু এনে উপযুক্ত ক্ষণ বিচাৰি নাপাওঁ।